# 2026

# ECONOMICS

## ( Major )

Paper : ECO0600104

**( Assam Economy )**

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

*Answer* either *in English* or *in Assamese.*

**1.** Answer the following questions : 1×8=8

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* Name one principal crop produced in Assam.

অসমত উৎপাদিত এবিধ প্ৰধান শস্যৰ নাম লিখা।

*(b)* Mention one type of 'local body' in Assam.

অসমৰ 'স্থানীয় নিকায়' এটাৰ নাম উল্লেখ কৰা।

(c) Define population density.

জনসংখ্যাৰ ঘনত্বৰ সংজ্ঞা দিয়া।

(d) Which cash crop became the backbone of Assam's colonial economy?

অসমৰ ঔপনিৱেশিক অৰ্থনীতিত কোনবিধ অৰ্থকৰী শস্য প্ৰধান মেৰুদণ্ড হৈ পৰিছিল?

(e) What does GST stand for?

GST মানে কি বুজায়?

(f) Define Net State Domestic Product (NSDP).

শুদ্ধ ৰাজ্যিক ঘৰুৱা উৎপাদন (NSDP)ৰ সংজ্ঞা দিয়া।

(g) Which event in 1947 led to significant in-migration and economic changes in Assam?

১৯৪৭ চনৰ কোনটো ঘটনাই অসমলৈ উল্লেখযোগ্য আন্তঃপ্ৰব্ৰজন আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ সূচনা কৰিছিল?

(h) Name the sector that contributes significantly highest to Assam's GSDP.

অসমৰ সৰ্বমুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনত আটাইতকৈ বেছি বৰঙণি যোগোৱা খণ্ডটোৰ নাম লিখা।

**2.** Answer the following questions (any *six*) : 2×6=12

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো ছয়টা) :

(a) What is Act East Policy?

পূব অভিমুখী কাৰ্যনীতি কি ?

(b) Mention two indicators where Assam lags behind the all India average.

ভাৰতবৰ্ষৰ গড় হাৰতকৈ পিছপৰি থকা অসমৰ দুটা পৰিমাপকৰ নাম উল্লেখ কৰা ।

(c) What is occupational distribution?

বৃত্তিগত বণ্টন কি ?

(d) Write two main components of public expenditure.

ৰাজহুৱা ব্যয়ৰ দুটা প্ৰধান উপাদান লিখা ।

(e) Mention two areas of economic cooperation between Assam and neighbouring States.

অসম আৰু প্ৰতিবেশী ৰাজ্যসমূহৰ মাজৰ অৰ্থনৈতিক সহযোগিতাৰ দুটা ক্ষেত্ৰ উল্লেখ কৰা ।

(f) What is the difference between work-force participation rate and labour force participation rate?

কৰ্মশক্তিৰ অংশগ্ৰহণৰ হাৰ আৰু শ্ৰমশক্তিৰ অংশগ্ৰহণৰ হাৰৰ পাৰ্থক্য কি ?

(g) Mention two main challenges faced by the tea industry of Assam.

অসমৰ চাহ উদ্যোগে সন্মুখীন হোৱা দুটা প্ৰধান প্ৰত্যাহ্বান কি কি, উল্লেখ কৰা।

(h) Why is the Treaty of Yandabo significant in the context of Assam?

অসমৰ প্ৰেক্ষাপটত ইয়াণ্ডাবু সন্ধি কিয় গুৰুত্বপূৰ্ণ?

(i) Write any two provisions of land settlement in Assam during colonial rule.

ঔপনিৱেশিক শাসনকালত অসমৰ ভূমি বন্দোৱস্তিৰ যি কোনো দুটা ব্যৱস্থা লিখা।

(j) Can the 'Xatra' institutions of Assam be regarded as a cultural tourism product? Give one reason for your answer. 1+1=2

অসমৰ 'সত্ৰ' অনুষ্ঠানসমূহক সাংস্কৃতিক পৰ্যটনৰ এক সামগ্ৰী হিচাপে গণ্য কৰিব পাৰিনে? এটা কাৰণ দৰ্শোৱা।

**3.** Answer the following questions (any *four*) : 5×4=20

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো চাৰিটা) :

(a) Briefly compare the trends in State Government receipts before and after the GST regime in Assam.

অসমত GST প্ৰৱৰ্তনৰ আগৰ আৰু পিছৰ ৰাজ্যিক চৰকাৰৰ ৰাজহ সংগ্ৰহৰ ধাৰা চমুকৈ তুলনা কৰা।

(b) Analyze the impact of in-migration on the socio-economic structure of Assam.
অসমৰ আৰ্থসামাজিক গাঁথনিত আন্তঃপ্ৰব্ৰজনৰ প্ৰভাৱ বিশ্লেষণ কৰা।

(c) Examine the significant impacts of introduction of railways in Assam during colonial period.
ঔপনিবেশিক কালত অসমত প্ৰৱৰ্তিত ৰেলসেৱাৰ গুৰুত্বপূৰ্ণ প্ৰভাৱসমূহ পৰীক্ষা কৰা।

(d) Analyze how cross-border trade and connectivity affect Assam's economy and suggest ways to use its geographical location to boost economic growth.
সীমান্তৱৰ্তী বাণিজ্য আৰু সংযোগে অসমৰ অৰ্থনীতিত কেনেকৈ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে, বিশ্লেষণ কৰা আৰু ভৌগোলিক অৱস্থানৰ সুবিধা গ্ৰহণ কৰি অসমে কেনেকৈ অৰ্থনৈতিক প্ৰসাৰ ঘটাব পাৰে, তাৰ বাবে পৰামৰ্শ আগবঢ়োৱা।

(e) Explain how land reform is beneficial for agricultural development in Assam.
অসমৰ কৃষিৰ উন্নয়নৰ বাবে ভূমি সংস্কাৰৰ উপকাৰিতা ব্যাখ্যা কৰা।

(f) Briefly analyze the role of tea industry in Assam's economy and suggest the measures for its sustainable development.
অসমৰ অৰ্থনীতিত চাহ উদ্যোগৰ ভূমিকা চমুকৈ বিশ্লেষণ কৰা আৰু ইয়াৰ বহনক্ষম উন্নয়নৰ বাবে পৰামৰ্শ আগবঢ়োৱা।

(g) Explain the potential and limitations of water transport in Assam.

অসমত জল পৰিবহণৰ সম্ভাৱনা আৰু সীমাবদ্ধতা ব্যাখ্যা কৰা।

(h) Analyze the diversification of rural economy towards horticulture, fishery and livestock rearing in Assam.

অসমৰ গ্ৰাম্য অৰ্থনীতিৰ বিবিধাকৰণৰ বাবে উদ্যানশস্য, মৎস্যপালন আৰু পশুপালন অভিমুখী হোৱাৰ বিষয়ে বিশ্লেষণ আগবঢ়োৱা।

4. Answer the following questions (any *two*) : 10×2=20

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো দুটা) :

(a) Discuss the economic potential of tourism resources in Assam and the policies needed for sustainable growth of tourism sector. 5+5=10

অসমৰ পৰ্যটন সম্পদসমূহৰ অৰ্থনৈতিক সম্ভাৱনা আৰু পৰ্যটন উদ্যোগৰ বহনক্ষম বিকাশৰ বাবে প্ৰয়োজনীয় নীতিৰ বিষয়ে আলোচনা কৰা।

(b) Analyze the challenges and prospects of agriculture sector in Assam with special reference to cropping patterns, productivity and diversification to non-farm activities. 5+5=10

অসমৰ কৃষিখণ্ডৰ শস্য উৎপাদন পদ্ধতি, উৎপাদনশীলতা আৰু অনা-কৃষিকাৰ্যলৈ বিবিধাকৰণৰ প্ৰত্যাহ্বান আৰু সম্ভাৱনাসমূহ সম্পৰ্কে আলোচনা কৰা।

*(c)* Evaluate Assam's strategic importance in India's 'Act East Policy' and its potential impact on the State's economy. 10

ভাৰতৰ 'পূব অভিমুখী কাৰ্যনীতি'ত অসমৰ কৌশলগত গুৰুত্ব আৰু ৰাজ্যখনৰ অৰ্থনীতিত ইয়াৰ সম্ভাৱনাপূৰ্ণ প্ৰভাৱ সম্পৰ্কে পৰ্যালোচনা আগবঢ়োৱা।

*(d)* Analyze the changing trends and patterns of sectoral composition of Gross State Domestic Product (GSDP) of Assam in the post-Independence period. 10

স্বাধীনতাৰ পিছৰ অসমৰ সৰ্বমুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP)ৰ খণ্ডভিত্তিক গঠন আৰু বিকাশৰ পৰিৱৰ্তনশীল ধাৰা সম্পৰ্কে বিশ্লেষণ আগবঢ়োৱা।

*(e)* Critically discuss the long-term economic consequences of colonial policies (like land revenue, opium trade and investment patterns) on Assam's post-Independence economy. 10

স্বাধীনতাৰ পিছৰ অসমৰ অৰ্থনীতিত ঔপনিৱেশিক নীতি (যেনে ভূমি ৰাজহ ব্যৱস্থা, আফিং ব্যৱসায় আৰু বিনিয়োগৰ ধাৰা)ৰ দীৰ্ঘকালীন প্ৰভাৱ সম্পৰ্কে সমালোচনাত্মক বিশ্লেষণ আগবঢ়োৱা।

★★★